# Passport Seva Divas 2020

June 24, 2020

# পাৰপত্ৰ সেৱা দিৱস 2020

জুন 24, 2020

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে 24 জুন, 1967 চনত বিধিবদ্ধ হোৱা পাৰপত্ৰ আইনৰ স্মৰণাৰ্থে 24 জুন, 2020 তাৰিখে পাৰপত্ৰ সেৱা দিৱস উদযাপন কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই উপলক্ষে এক বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰে য'ত বৈদেশিক পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী ড° এচ. জয়শংকৰ আৰু বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰী ভি. মুৰলীধৰণে পাৰপত্ৰ বিষয়াসকলক উদ্দেশ্য কৰি ভিডিঅ' কনফাৰেন্স যোগে ভাষণ প্ৰদান কৰে।

বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰীগৰাকীয়ে তেওঁৰ মূল ভাষণত উল্লেখ কৰে যে বৰ্তমানৰ চৰকাৰৰ অধীনত বিগত ছয় বছৰত দেশখনৰ পাৰপত্ৰ প্ৰদান ব্যৱস্থাত সম্পূৰ্ণ পৰিবৰ্তণ সাধন হৈছে। 2019 বৰ্ষত পাৰপত্ৰ প্ৰদান কতৃপক্ষৰ দ্বাৰা ভাৰত আৰু বিদেশৰ বাবে 1.22 কোটিতকৈও অধিক পাৰপত্ৰ প্ৰদান কৰা হয়। দেশত মুঠতে 517 টা পাৰপত্ৰ কেন্দ্ৰই এই সেৱা প্ৰদান কৰি আছে যাৰ ভিতৰত 93 টা পাৰপত্ৰ সেৱা কেন্দ্ৰ আৰু 424 টা ডাকঘৰ পাৰপত্ৰ সেৱা কেন্দ্ৰ। তেওঁ কয় যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মূল উদ্দেশ্য হ'ব পাৰপত্ৰ সেৱাসমূহ জনসাধাৰণৰ কাষলৈ লৈ যাবৰ বাবে অধিক ডাকঘৰ পাৰপত্ৰ সেৱা কেন্দ্ৰ খুলি প্ৰচাৰৰ ব্যৱস্থাসমূহ কটকটীয়া কৰা। এই বিশ্বজনীন প্ৰচাৰ ব্যৱস্থাৰ অংশ হিচাপে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে 70টা মিছন আৰু পোষ্টৰ পাৰপত্ৰ প্ৰদান ব্যৱস্থাৰ সৈতে একগোট হৈ 95 শতাংশতকৈ অধিক বিদেশ যাত্ৰাৰ পাৰপত্ৰ প্ৰদান কৰিছে। তেওঁ লগতে কয় যে পৰৱৰ্তী সময়ত পাৰপত্ৰ আবেদনৰ নীতি আৰু প্ৰক্ৰিয়াসমূহ অধিক সহজ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা হ'ব। আধুনিক প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰাৰ বাবেও পদক্ষেপ লোৱা হ'ব। এই প্ৰচেষ্টাৰ অধীনত লোৱা পদক্ষেপ যেনে mPassport Police আৰু mPassportSeva এপৰ সহায়ত পাৰপত্ৰ আবেদন ব্যৱস্থা আৰু গ্ৰাহক সন্তুষ্টিত যথেষ্ট উন্নতি হয়। এই ক্ষেত্ৰত ই-পাৰপত্ৰ বা বৈদ্যুতিন পাৰপত্ৰৰ উৎপাদন আন এক উল্লেখনীয় পদক্ষেপ।

বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত ভাৰত আৰু বিদেশত কৰ্মৰত সমূহ পাৰপত্ৰ প্ৰদান কতৃপক্ষই এক স্বচ্ছ আৰু দক্ষ পাৰপত্ৰ প্ৰদান ব্যৱস্থা নিশ্চিত কৰি আমাৰ নাগৰিকসকলক লাভান্বিত কৰাৰ বাবে তেওঁলোকৰ প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ আৰু কয় যে এক বলিষ্ঠ অভিযোগ নিষ্পত্তি পদ্ধতিৰ দ্বাৰা, যাক CPGRAMSৰ ক্ষেত্ৰত দেখুওৱা দক্ষতাৰ বাবে চিহ্নিত কৰা হয়, আমাৰ সেৱা প্ৰদান ব্যৱস্থা অধিক উন্নত হৈছে।

শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী পাৰপত্ৰ বিষয়াসকলৰ বাবে পাৰপত্ৰ সেৱা পুৰষ্কাৰ আৰু সেৱা প্ৰদান কৰোঁতা কৰ্মচাৰীৰ বিশেষ পুৰষ্কাৰ ঘোষণা কৰা হয়। যিহেতু আৰক্ষীৰ মূল্যায়ণ পাৰপত্ৰ প্ৰদান প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ উপাদান, আৰক্ষী বিভাগে দ্ৰুত অনুমতি প্ৰদানৰ ক্ষেত্ৰত যোগোৱা অৰিহণাৰ বাবে তেওঁলোকৰ প্ৰতি বিশেষভাৱে কৃতজ্ঞতা প্ৰকাশ কৰা হয়।

**নতুন দিল্লী**
**জুন 24, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.